بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## বনু কুৰাইজাৰ যুদ্ধৰ প্ৰেক্ষাপটত আঁহজৰত (ছাঃ)ৰ জীৱনী সম্পৰ্কে বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৫ অক্টোবৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আহযাবৰ যুদ্ধৰ সময়ত বনু কুৰাইজাৰ লোকে চুক্তি ভঙ্গ কৰে সেয়ে মুছলমান সকলে বনু কুৰাইজাৰ দুৰ্গ অৱৰোধ কৰে, যাতে সিহঁতক মুছলমান সকলৰ সৈতে থকা চুক্তি ভঙ্গ কৰি ক্ষতি সাধন কৰাৰ বাবে শাস্তি দিব পৰা যায়। এই সম্পৰ্কে বিতং ব্যাখ্যা এনেদৰে আছে যে যেতিয়া এই অৱৰোধ কঠোৰ হৈ পৰিছিল তেতিয়া বনু কুৰাইজা ৰছুলুল্লাহ (ছাঃ)ৰ সিদ্ধান্ত মানিলৈ দুৰ্গৰ বাহিৰলৈ ওলাই আহে।

এই অৱৰোধ চৈধ্য দিন, পোন্ধৰ দিন, পঁচিছ দিন চলা বুলি বিভিন্ন ৰিৱায়ত আছে। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে বিভিন্ন ইতিহাসৰ বৰ্ণনাৰ পৰা বিশ্লেষণ কৰি মন্তব্য প্ৰদান কৰিছে যে এই অৱৰোধ কমপক্ষে বিশ দিন মান চলিছিল। বনু কুৰাইজাৰ বিৰুদ্ধে সিদ্ধান্ত ল’বলৈ হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)ক হাকিম নিযুক্ত কৰা হয়। ৰছুলুল্লাহ (ছাঃ)ৰ ইহুদী সকলক গ্ৰেপ্তাৰ কৰাৰ আদেশ মৰ্মে সিহঁতক ৰছীৰে বান্ধি পেলোৱা হয় আৰু মহিলা আৰু বালক বালিকা সকলক পৃথক কৰি ৰখা হয়। বনু কুৰাইজাৰ দুৰ্গৰ পৰা পোন্ধৰ শ তৰোৱাল, তিনিশ কবচ, দুহেজাৰ বল্লম, পোন্ধৰ শ ঢাল আৰু বহুতো বাচন বৰ্ত্তন আদি লাভ কৰে। উট আৰু অন্যান্য জন্তুও পাইছিল। এই সকলোবিলাক বস্তু এঠাইত জমা কৰা হয়। আউচ কবিলাৰ নেতৃবৰ্গই ৰছুলুল্লাহ (ছাঃ)ক কৈছিল যে বনু কুৰাইজা আমাৰ বন্ধু হয়, সিহঁতক আমাৰ বাবে ক্ষমা কৰি দিয়ক। এওঁলোকৰ কাকুতি-মিনতিত তেখেত (ছাঃ) য়ে কৈছিল যে ঠিক আছে তোমালোকে এই কথাত সন্মত আছানে যে সিহঁতৰ বিষয়ে সিদ্ধান্ত ল’বলৈ তোমালোকৰ মাজৰ কাৰোবাক দায়িত্ব দিয়া যাওঁক?

তেতিয়া সিহঁতৰ স্বীকাৰোক্তি মৰ্মে এই বিষয়টো হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)ৰ বিচাৰৰ অধীনত দিয়া হয়। আন এটা ৰিৱায়ত মতে আঁহজৰত (ছাঃ)য়ে কৈছিল যে মোৰ চাহাবা সকলৰ মাজৰ পৰা যাক বিচৰা তাকে তোমালোকে এই বিষয়ে বিচাৰক হিচাপে বাছি ল'ব পাৰা। তেতিয়া তেওঁলোকে হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)ক বাছি লৈছিল। হজৰত ছাআদ (ৰাঃ) আউছ কবিলাৰ চৰদাৰ আছিল আৰু বনু কুৰাইজাৰ বন্ধু আছিল। সেয়ে তেওঁলোকে ধাৰণা কৰিছিল যে মামলা আমাৰ হাতত আহিব আৰু আৰবৰ নীতি অনুযায়ী হজৰত ছাআদ (ৰাঃ)য়ে নিজৰ মিত্ৰ কবিলাৰ বাবে দয়া প্ৰবণ হ'ব। কিন্তু ছাআদ (ৰাঃ)ৰ পৱিত্ৰ আৰু মুখলিচ হৃদয়ে খোদা আৰু তাৰ ৰছুলকেই সকলো আত্মীয়তা আৰু সম্পৰ্কৰ উৰ্ধত স্থান দিছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই বিষয়ে লিখিছে যে আউচ গোত্ৰৰ কিছুমান লোকে হজৰত ছাআদ (ৰাঃ)ৰ ওচৰত কাকুতি-মিনতিৰে এয়া আবেদন জনায় যে কুৰাইজা আমাৰ বন্ধু হয়, গতিকে যেনেকৈ খজৰজ কবিলায় নিজৰ বন্ধু কবিলা বনু কিনাকাৰ সৈতে সহানুভূতি দেখুৱাইছিল, তুমিও বনু কুৰাইজাৰ সৈতে সহানুভূতি দেখুৱাই সিদ্ধান্ত ল'বা। সিহঁতক কঠোৰ শাস্তি নিদিবা। হজৰত ছাআদ (ৰাঃ) য়ে প্ৰথমে নীৰৱে এওঁলোকৰ কথা শুনি আছিল কিন্তু তেওঁলোকৰ বেছি কাকুতি-মিনতিৰ ফলত কয় যে এয়া হ'ল সেই সময় য'ত ছাআদে ন্যায় বিচাৰৰ ক্ষেত্ৰত কোনো অননয়, বিনয় গ্ৰহণ কৰিব নোৱাৰে। এই উত্তৰ শুনাৰ লগে লগে সকলোৱে নীৰৱ হৈ গৈছিল।

হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)য়ে দুয়ো পক্ষক তাৰ সিদ্ধান্ত মানি লোৱাৰ প্ৰতিশ্ৰুতি লৈ সিদ্ধান্ত আগবঢ়ায় যে বনু কুৰাইজাৰ যুদ্ধা সকলক হত্যা কৰা হ'ব আৰু মহিলা, বালক, বালিকা সকলক বন্দী বনাবা আৰু সিহঁতৰ ধনমাল মুছলমান সকলৰ মাজত বিতৰণ কৰা হ'ব। আঁহজৰত (ছাঃ)য়ে এই ৰায় শুনাৰ লগে লগে হঠাতে মাত দিছিল যে লাকাদ হাকামতা বিহুকমিল্লাহ অৰ্থাৎ তোমাৰ এই ৰায় এটা খোদাই তকদিৰ হয়।

এই শব্দ বিলাকেৰে তেখেত (ছাঃ)য়ে বুজাইছিল যে বনু কুৰাইজাৰ বাবে এই ৰায়ৰ মাজত স্পষ্ট ভাৱে খোদা তা'লাৰ ইচ্ছাই কাম কৰাটো প্ৰতিৰোধ কৰিব নোৱাৰে। আন এটা ৰিৱায়তত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত ছাআদ (ৰাঃ)ৰ ৰায় সম্পৰ্কে কৈছিল এই ৰায় সম্পৰ্কে ফিৰিস্তাই মোক ছেহেৰীৰ সময়ত কৈছিল। হজৰত ছাআদ (ৰাঃ)ৰ এই ৰায় প্ৰদানৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে ৯ জিলহজ্বা আৰু আন এটা ৰিৱায়ত অনুযায়ী ৭ জিলহজ্বা বৃহস্পতিবাৰ দিনা মদিনালৈ ওভতি আহিছিল, আঁহজৰত (ছাঃ)ৰ নিৰ্দেশ অনুযায়ী কয়েদী সকলক মদিনাত হজৰত উছামা বিন জায়েদ (ৰাঃ)ৰ ঘৰত আৰু মহিলা, বালক, বালিকা সকলক হজৰত ৰমেলা বিনতে হাৰিছ (ৰাঃ)ৰ ঘৰলৈ লৈ অনা হয়। ইয়াৰ পিছত চাহাবা সকলে বনু কুৰাইজাক যথেষ্ঠ পৰিমাণে ফলমূল খাবলৈ দিছিল। ইয়াতে উল্লেখ আছে যে ইহুদী সকলে গোটেই ৰাতিয়ে ফলমূল খোৱাত ব্যস্ত আছিল। হজৰত ছাআদ (ৰাঃ)ৰ এই ৰায়দানৰ ওপৰত অমুছলিম সকলে অভিযোগ উত্থাপন কৰে আৰু মাজে সময়ে তেওঁলোকে আমাৰ ডেকা চামক এই বুলি কৈ মন বেয়া কৰে যে বনু কুৰাইজাৰ ওপৰত আঁহজৰত (ছাঃ)য়ে অত্যাচাৰ কৰিছে। ইয়াৰ এটা স্পষ্ট উত্তৰ হ'ব যে এই ৰায়দান আঁহজৰত (ছাঃ)য়ে কৰা নাই, বৰং আল্লাহ তা'লাই এই ৰায় প্ৰদান সিহঁতৰে বন্ধুৰ হতুৱাই কৰোইছে আৰু তাতে আঁহজৰত (ছাঃ)ৰ পৰাও প্ৰতিশ্ৰুতি লৈছিল।

সেই সময়ত আঁহজৰত (ছাঃ)য়ে দুখজনক শব্দেৰে কৈছিল যে লাও আমানা বি আশাৰাতুন মিনাল

ইয়াহুদ লাআমানাত বিইয়াল ইয়াহুদ অৰ্থাৎ যদি ইহুদী সকলৰ ফালৰ পৰা দহ, বাৰশ লোকে মোৰ ওপৰত ঈমান  স্থাপন কৰিলেহেঁতেন তেন্তে মই খোদাৰ ওপৰত ভৰসা কৰিব পাৰিলোহেঁতেন যে এই সম্প্ৰদায়ে মোক মানি লৈছে যদি খোদাৰ শাস্তিৰ পৰা ৰক্ষা পাব।
দ্বিতীয় দিনাখন ৰাতিপুৱা হজৰত ছাআদ বিন মুৱাজৰ ৰায় কাৰ্যকৰী হোৱাৰ কথা আছিল। সেয়ে আঁহজৰত (ছাঃ) নিজে গৈ ওচৰতে এঠাইত উপস্থিত হৈছিল কাৰণ যাতে এই ৰায় কাৰ্যকৰী কৰাৰ সময়ত কোনো ধৰণৰ কথা বা বিবাদৰ সৃষ্টি হলে এখেত (ছাঃ)ৰ পৰামৰ্শৰ প্ৰয়োজন হ'ব পাৰে। গতিকে তেখেত (ছাঃ)য়ে ওচৰতে থাকিলে নিশ্চয় কোনো হিদায়ত দিব পাৰিব। যদিও হজৰত ছাআদ (ৰাঃ)ৰ ৰায় আদালতি হিচাপে আঁহজৰত (ছাঃ)ৰ ওচৰত আপিল কৰিব নোৱাৰিলে হয়, তথাপি এজন ৰজা বা গণতান্ত্ৰিক নেতা বা সভাপতি হিচাপে আঁহজৰত (ছাঃ)য়ে কোনোবা এজন লোকৰ বিষয়ে কোনো কাৰণত দয়া কৰাৰ আপীল শুনিব পাৰিলেহেঁতেন।

আঁহজৰত (ছাঃ)য়ে সকলো পৰিস্থিতি লক্ষ্য কৰি দয়া প্ৰবণ হৈ এয়া আদেশ দিছিল যে দোষী সকলক এজন এজনকৈ পৃথকে পৃথকে লৈ আনি হত্যা কৰা যাওঁক। অৰ্থাৎ এজনক হত্যা কৰাৰ দৃশ্য যেন আন এজনে দেখিবলৈ নাপায়। যেতিয়া হাই বিন আখতাব চৰদাৰে বনু নজিৰে আজি আঁহজৰত (ছাঃ)ক কৈছিল হে মহম্মদ(ছাঃ) ! মই এয়া পৰিতাপ কৰা নাই যে মই তোমাৰ বিৰোধীতা কিয় কৰিছোঁ, কিন্তু কথা হ'ল এয়া যে যিয়ে খোদা তা'লাক এৰি দিয়ে, খোদা তা'লাও তাক এৰি দিয়ে। এয়া তাৰেই আদেশ আৰু তকদিৰ হয়। এনেদৰে কাআব বিন উছেদ চৰদাৰে কুৰাইজাক যেতিয়া বধ ভূমিলৈ লৈ অনা হৈছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে তাক মুছলমান হৈ যাবলৈ আহ্বান কৰিছিল। কিন্তু তেওঁ কৈছিল হে আবুল কাছিল, মই মুছলমান হৈ যাব পৰিলোহেঁতেন, কিন্তু লোকে ক'ব যে মৃত্যুৰ ভয়ত মুছলমান হৈছে। গতিকে মোক ইহুদী ধৰ্মৰ মাজতেই মৰিবলৈ দিয়া।

এই যুদ্ধত লাভ কৰা মালে গণিমত (যুদ্ধলব্দ সামগ্ৰী) বিলাক আঁহজৰত (ছাঃ)য়ে চাহাবা সকলৰ মাজত বিতৰণ কৰে আৰু কিছুমান মহিলাকও ইয়াৰ অংশ দিছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাবা (ৰাঃ) য়ে ইতিহাসৰ বিভিন্ন কিতাপ অধ্যয়ন কৰি লিখিছে যে কিছুমান ৰিৱায়তৰ পৰা অনুমান কৰিব পৰা যায় যে আঁহজৰত (ছাঃ)য়ে বনু কুৰাইজাৰ লোকক নজদৰ ফালে খেদি পঠিয়াইছিল। য'ত কিছুমান নজদ কবিলাৰ লোকে তেওঁলোকৰ ফিদিয়া আদায় দি তেওঁলোকক মুক্ত কৰি লৈছিল। সেই ধনেৰে মুছলমান সকলে নিজৰ বাবে যুদ্ধ প্ৰয়োজনীয়, ঘোঁৰা আৰু অস্ত্ৰ-শস্ত্ৰ কিনি লৈছিল। এনেকুৱা যদি হৈছে তেন্তে এই বৰ্ণনাত কোনো সন্দেহ নাই, কাৰণ নজদৰ কবিলা বিলাকৰ লগত বনু কুৰাইজাৰ বন্ধুত্ব আছিল। কিন্তু ছহী ৰিৱায়তৰ পৰা জানিব পৰা যায় যে এই কয়েদী সকলে মদিনাতেই আছিল আৰু আঁহজৰত (ছাঃ)য়ে তেওঁলোকৰ ৰীতি অনুযায়ী বিভিন্ন চাহাবাৰ পৰিচালনাৰ অধীনত ভাগ কৰি দিছিল। বন্দী সকলৰ ফালৰ পৰা কিছুমানে আকৌ ফিদিয়া আদায়  কৰি মুক্তি লাভ কৰিছিল আৰু কিছুমানক আঁহজৰত (ছাঃ)য়ে এনেয়ে সহানুভূতি দেখুৱাই এৰি দিছিল। এই লোক সকলে লাহে লাহে পিছত মুছলমান হৈ পৰে।

এই ঘটনাৰ মাজতেই আঁহজৰত (ছাঃ)য়ে এনেকুৱা এটা আদেশ জাৰি কৰিছিল যে যি তেখেত (ছাঃ)ৰ বহল ৰহমত আৰু মহিলাৰ সৈতে সুন্দৰ আচৰণৰ দৃষ্টান্ত স্বৰ্ণ আখৰে লিখা যাব পাৰে। তেখেত (ছাঃ)য়ে নিৰ্দেশ দিছিল যে যিকোনো মহিলাক বিতৰণ কৰা হওঁক বা বিক্ৰি কৰা হওঁক যদি তাইৰ লগত কোনো সৰু

সন্তান আছে তেন্তে সেই সন্তান জনক তাৰ মাকৰ পৰা পৃথক কৰা নাযাব যেতিয়া লৈকে সেই সন্তানটো সাবালক হৈ নুঠে। এনেকৈয়ে যদি দুজনী ভনী থাকে তেন্তে তেওঁলোককও সাবালিক নোহোৱা লৈকে পৃথক কৰা নাযাব। এয়াই আছিল ৰহমাতুল্লিল আলামিনৰ আমল আৰু তেখেত (ছাঃ)ৰ মহিলা, কয়েদী আৰু নিজৰ বিৰোধী সকলৰ ওপৰত দয়াৰ চানেকি। কিন্তু বৰ্তমানে মুছলমান সকলৰ কি অৱস্থা হৈছে, তেওঁলোকে আল্লাহ আৰু ৰছুলৰ নামত মানুহক ঘৰৰ পৰা উলিয়াই নিৰাশ্ৰয় কৰি দি আছে। হত্যা কৰি আছে। ইয়াৰ ফলাফল এয়াই হৈ আছে যে মুছলমান সকলে নিজৰ মান সন্মান হেৰুৱাই আছে। আল্লাহ তা'লা এই সকল মুছলমানক জ্ঞান, বিবেক দান কৰক আৰু বোধশক্তি প্ৰদান কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَّآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 25 OCTOBER 2024

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................
..............................................................................................................
..............................................................................................................

NASHOR-O-ISHAAT QADIAN

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা